Krishna Kanta Handiqui State Open University
MA 4th Sem. Examination, 2016

বিষয় ঃ অসমীয়া

অনুবাদ সাহিত্য আৰু নিৰ্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন

সময় ঃ ৩ ঘণ্টা *মুঠ নম্বৰ ঃ ৮০*

প্ৰথম ভাগ
অনুবাদ সাহিত্য

১। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ২×৩=৬
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) শৈলীৰ আধাৰত অনুবাদক কেইটা আৰু কি কি ভাগত ভাগ কৰা হৈছে?

(খ) অন্তৰ্ভাষিক অনুবাদ মানে কি?

(গ) দৰঙী ৰাজ্যৰ ৰাজদৰবাৰৰ মহাভাৰতৰ অনুবাদকসকলৰ নাম লিখি তেওঁলোকে কি কি অনুবাদ কৰিছিল উল্লেখ কৰক।

(ঘ) অনুবাদ কৰ্মৰ মাজত সোমাই থকা পাঁচটা পৰ্যায় কি কি উল্লেখ কৰক।

২। তলৰ যিকোনো *দুটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৪×২=৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অনুবাদ সাহিত্যৰ লক্ষ্য কি হোৱা উচিত বুলি আপুনি বিবেচনা কৰে? যুক্তি আগবঢ়াওক।

(খ) প্ৰাক্-শংকৰী যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

(গ) ৰোমাণ্টিক যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ বৈশিষ্ট্য আৰু ভূমিকা সম্পৰ্কে লিখক।

৩। তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৬×১=৬
(উত্তৰটো ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) মাৰ্টিন লুথাৰে অনুবাদ সম্পৰ্কে আগবঢ়োৱা সিদ্ধান্তকেইটা কি কি?

(খ) চমুটোকা লিখক — অনুবাদকৰ ভাষাজনিত সমস্যা।

৪। তলৰ যিকোনো *দুটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ১০×২=২০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অনুবাদ সাহিত্যৰ অধ্যয়ন পদ্ধতি সম্পৰ্কে বহলাই আলোচনা কৰক।

(খ) অনুবাদৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা প্ৰধান সমস্যাসমূহৰ বিষয়ে বহলাই লিখক।

(গ) প্ৰাক্ অৰুণোদয় স্তৰ তথা অৰুণোদয় যুগ আৰু সাম্প্ৰতিক যুগত অসমীয়া অনুবাদ সাহিত্যৰ বিষয়ে এটি তুলনামূলক আলোচনা যুগুত কৰক।

দ্বিতীয় ভাগ

(প্ৰশ্ন ৫-ৰ পৰা ৮ লৈ অথবা ৯-ৰ পৰা ১২ লৈ উত্তৰ লিখিব)

নিৰ্বাচিত সহিত্যিকৰ সাহিত্য অধ্যয়ন
(শংকৰদেৱ)

৫। তলৰ যিকোনো *দুটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ২×২=৪
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'আদি দশম' বুলিলে কি বুজে?

(খ) 'আদি দশম'ৰ ছন্দ সম্পৰ্কে চমুকৈ লিখক।

(গ) কৃষ্ণৰ জন্ম কেনেদৰে হৈছিল আৰু তেওঁ জনম লোৱাৰ কাৰণ কি আছিল বুলি আদি দশমত উল্লেখ আছে?

৬। তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৪×১=৪
(উত্তৰটো ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'আদি দশম'ৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখক।

(খ) আদি দশমত প্ৰকাশ পোৱা অলংকাৰ সম্পৰ্কে এটি আলচ যুগুত কৰক।

৭। তলৰ যিকোনো *দুটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৬×২=১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) চমুটোকা লিখক — 'আদি দশম'ত বৰ্ণিত কাহিনীসমূহৰ তাৎপৰ্য।

(খ) 'আদি দশম'ত কৃষ্ণৰ দ্বৈত চৰিত্ৰ কেনেদৰে উদ্ভাসিত হৈছে বুজাই লিখক।

(গ) 'বৰ্ষা বৰ্ণন' অংশটোৰ মাজত শংকৰদেৱে কেনেদৰে আধ্যাত্মিক তত্ত্ব প্ৰকাশ কৰিছে বুজাই লিখক।

৮। তলৰ যিকোনো *দুটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ১০×২=২০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'আদি দশম'ৰ ৰস বিচাৰ কৰক।

(খ) গোকুল আৰু বৃন্দাবনৰ কৃষ্ণৰ মাজত এটি তুলনামূলক আলোচনা দাঙি ধৰক।

(গ) 'আদি দশম'ত বৰ্ণিত পাঠৰ মাজত প্ৰকাশিত ভক্তিতত্ত্ব সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

নিৰ্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন
(জ্যোতিপ্ৰসাদ আগৰৱালা)

৯। তলৰ যিকোনো *দুটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ২×২=৪
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ৰূপালীম নাটকৰ পটভূমি সম্পৰ্কে লিখক।

(খ) জ্যোতিপ্ৰসাদে নাটকখন লিখাৰ মূল কাৰণ কি বুলি আপুনি বিবেচনা কৰে?

(গ) লভিতা নাটকখনৰ সংলাপসমূহ কেনেধৰণৰ?

১০। তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৪×১=৪
(উত্তৰটো ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ মূল আদৰ্শ তেওঁৰ নাটকসমূহৰ মাজত কেনেদৰে ফুটি উঠিছে? আলোচনা কৰক।

(খ) 'ৰূপালীম' নাটকত মোন্না ভান্না নাটকৰ প্ৰভাৱ কেনেদৰে পৰিস্ফুট হৈছে?

১১। তলৰ যিকোনো *দুটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৬×২=১২
(প্ৰশ্নটোৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'কাৰেঙৰ লিগিৰী' নাটকখনৰ বিষয়বস্তুৰ গভীৰতা বিবেচনা কৰক।

(খ) 'লভিতা' নাটকৰ লভিতা চৰিত্ৰটোৰ বিষয়ে চমুটোকা লিখক।

(গ) 'লভিতা' নাটকখনত দ্বন্দ্ব কেনেদৰে ফুটি উঠিছে বিচাৰ কৰক।

১২। তলৰ যিকোনো *দুটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ১০×২=২০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'শোণিত কুঁৱৰী' নাটকখনৰ আধাৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাট্যচিন্তা সম্পৰ্কে বহলাই আলোচনা কৰক।

(খ) "'কাৰেঙৰ লিগিৰী' জ্যোতিপ্ৰসাদ আগৰৱালাৰ শ্ৰেষ্ঠ নাট্যকৃতি"— কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

(গ) ৰূপালীম নাটকখনৰ ইতিভেন আৰু ৰূপালীম চৰিত্ৰ দুটাৰ এটি তুলনাত্মক আলোচনা প্ৰস্তুত কৰক।

——×——